Website : www.niyomiyabarta.com

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGES

সংখ্যা ৩৫৮ □ দেওবাৰ □ ২৩ ফাগুন ১৯৪৭ শক □ ৮ মাৰ্চ ২০২৬ চন □ VOL-15 □ NO-358 □ SUNDAY 8 MARCH 2026

Dibrugarh Assam

সুপ্ৰভাত

আজিৰ দিনটোতে—

- আন্তৰ্জাতিক নাৰী দিৱস
- ১৯৫৩ত ৰাজনীতিবিদ বসুন্ধৰা ৰাজেৰ জন্ম
- ১৮৯৩ত অসমীয়া শিক্ষাবিদ ৰাজবালা দাসৰ জন্ম
- ২০০৪ত ইৰাকৰ গভৰ্নিং কাউন্সিলৰ নতুন সংবিধান
- ১৯৭৯ত ফিলিপছৰ প্ৰথমবাৰৰ বাবে কম্পেক্ট ডিস্ক প্ৰদৰ্শন
- ১৯৮৪ত ক্ৰিকেটাৰ ৰোছ টেইলৰৰ জন্ম.

সাংবাদিকসকলে যেনেদৰে গুৰুত্ব, স্বাধীনতা পাব লাগিছিল কাৰ্যতঃ পৰিলক্ষিত হোৱা নাই ঃ জ্যোতিপ্ৰসাদ কানৈ

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ গৃহ নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ সাহায্য

বিশেষ বাৰ্তা, ডিব্ৰুগড, ৭ মাৰ্চ ঃ 'দেশ বা সমাজ এখন শৃংখলাবদ্ধভাৱে পৰিচালিত হোৱাত সাংবাদিকৰ ভূমিকা অনস্বীকাৰ্য। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকসকলক আখ্যা দিয়া হয় যদিও সাংবাদিকসকলক যেনেদৰে গুৰুত্ব দিব লাগে, স্বাধীনতা পাব লাগিছিল সেয়াও কাৰ্যতঃ পৰিলক্ষিত হোৱা নাই।'—এই মন্তব্য ডিব্ৰুগড় আৰু ৰাজ্যৰ এগৰাকী নমস্য সমাজকৰ্মী, দাতা জ্যোতিপ্ৰসাদ কানৈৰ। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ এক সৌহাদ্যপূৰ্ণ অনুষ্ঠানত অসমৰ এগৰাকী অন্যতম দাতা, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ স্থায়ী ভৱন নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়াই তেখেতৰ এনে মহানুভৱতাৰ পৰিচয় দিয়াৰ বাবে পৰহি জ্যোতিপ্ৰসাদ কানৈক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বাকৰিত এক উষ্ম আদৰণি জনোৱা হয়। তেওঁৰ স্বভাৱসিদ্ধ ভাষণত পুনৰাই কয় যে একোগৰাকী নিষ্ঠাৱান সাংবাদিকে বহু কষ্টৰ মাজেৰেই জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়াত পৰে। কিন্তু আজিপৰ্যন্ত সাংবাদিকৰ জীৱনৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ একো পদক্ষেপ গ্ৰহণ নকৰিলে। সমগ্ৰ ৰাজ্যখনত উন্নয়ন সূচনা হৈছে কিন্তু বহু ঠাইত সাংবাদিকসকলকৰ বাবে নিজাববীয়া স্থায়ী গৃহ নোহোৱাত বহুত অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰে সাংবাদিকসকল। সাংবাদিক নোহোৱাকৈ কোনো এখন চৰকাৰ বৰ্তি থাকিব নোৱাৰে বুলিও উল্লেখ কৰে সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত তেওঁ লগতে কয় যে শেহতীয়াকৈ অসম চৰকাৰে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক একোটিকৈ ম'বাইল প্ৰদান কৰি উপকৃত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকক মটৰচাইকেল প্ৰদান কৰিব বুলিও ঘোষণা কৰিছে ভাল কথা। কিন্তু সাংবাদিকসকল বিভিন্ন সময়ত নিজৰ তথা পৰিয়ালৰ দুৰ্যোগৰ সময়ত যথেষ্ঠ অসুবিধাৰ সন্মুখীন হোৱা আমি দেখিবলৈ পাওঁ। সেয়ে সাংবাদিকসকলৰ বাবে নিজৰ তথা পৰিয়ালৰ ভৱিষ্যৎ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। সভাপতি মনজিৎ বৰাই সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈৰ বদান্যতাৰ বিষয়ে উল্লেখ কৰি ডিব্ৰুগড়ৰ সামাজিক জীৱনৰ বাবে আগবঢ়োৱা তেওঁৰ আৰু তেওঁৰ পৰিয়ালৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। উল্লেখ্য যে ডিব্ৰুগড় তথা অসমৰ সমাজ জীৱনৰ এগৰাকী সমাজহিতৈষী, দাতা হিচাপে পৰিচিত জ্যোতিপ্ৰসাদ কানৈয়ে বিগত পঞ্চাশ বছৰ চাৰ্টাৰ্ড একাউন্ট হিচাপে নিজৰ কৰ্মজীৱন অব্যাহত ৰাখিছে। বৰ্তমান এইগৰাকী দাতা, সমাজহিতৈষী কানৈয়ে তেওঁলোকৰ পৰিয়ালৰ নামতে প্ৰতিষ্ঠিত ডিব্ৰুগড় হনুমান বস্ক সূৰুযমল কানৈ আইন মহাবিদ্যালয়ত ৭৪ বছৰ বয়সতো আইনৰ শিক্ষাৰ বাবে নামভৰ্তি কৰি শিক্ষা গ্ৰহণ কৰি আছে। জ্যোতি ললিতা কানৈ ন্যাসৰ উদ্যোগত বৰ্তমান ডিব্ৰুগড়ৰ প্ৰতিখন শিক্ষানুষ্ঠান আৰু বিভিন্ন সামাজিক অনুষ্ঠানত কোনো লাভালাভৰ কথা চিন্তা নকৰি কেৱল মাত্ৰ নিজৰ সঞ্চিত ধনেৰে সমাজৰ প্ৰতি বিশিষ্ট অৱদান আগবঢ়াই ডিব্ৰুগড়ৰ সমাজ জীৱনৰ বাবে দাতা জ্যোতিপ্ৰসাদ কানৈ হিচাপে পৰিচিত লাভ কৰিছে। ইফালে, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত অনুষ্ঠিত সভাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপ-সভাপতি বিভাস দুৱৰা আৰু উপদেষ্টা ড° লোহিত শইকীয়া উপস্থিত থাকি সমাজকৰ্মীগৰাকীয়ে নিঃস্বাৰ্থভাৱে সমাজলৈ আগবঢ়াই অহা কাম-কাজৰ সন্দৰ্ভত উল্লেখ কৰি উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তথা ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ ভৱন নিৰ্মাণৰ বাবে এককালীন আৰ্থিক অনুদান হিচাপে ৫০ লাখ টকা আগবঢ়োৱা বিষয়ে কয়। উল্লেখ্য যে ডিব্ৰুগড়ৰ ডিকমৰ পৰা খোৱাঙলৈকে কৰ্মৰত সাংবাদিকসকলক লৈ গঠিত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যোৱা ১৮ ফেব্ৰুৱাৰীত এটি পথৰ কাষত লায়ন্স ক্লাবৰ সমীপত নিজা ভূমিত আধাৰশিলা স্থাপন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনৰ উপস্থিতিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ক্লাবৰ প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি তথা দানবীৰ হিচাপে পৰিচিত জ্যোতিপ্ৰসাদ কানৈয়ে ক্লাব নিৰ্মাণৰ ক্ষেত্ৰত ৫০ লাখ টকা তেওঁৰ জ্যোতি-ললিতা ফাউণ্ডেচনৰ পৰা আগবঢ়াইছিল। কালি তেওঁক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তৰফৰ পৰা গামোচা, চেলেং, স্মাৰক আৰু কৃতজ্ঞতা-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত ক্লাবৰ উপদেষ্টা ড° লোহিত শইকীয়া, শৈলেস জৈন, যাদৱ গগৈ, কৰুণা ফুকন প্ৰমুখ্যে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সমূহ সাংবাদিক উপস্থিত থাকে।